# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-07-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - - - - - - - -**
------------

উত্তৰ প্ৰদেশৰ গোণ্ডা ষ্টেশ্যনৰ সমীপত আজি ডিব্ৰুগড়-চণ্ডীগড় এক্সপ্ৰেছ দুৰ্ঘটনাত পতিত হয়। ৰে'লৰেৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি দুৰ্ঘটনাৰ ফলত ৰে'লখনৰ ৪-৫টা দবা লাইনচ্যুত হয়। দুৰ্ঘটনাত এজন যাত্ৰী নিহত হোৱাৰ লগতে আন সাতগৰাকী যাত্ৰী আহত হয়। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি লক্ষ্ণৌৰ পৰা যোৱা দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৰে'ল বিভাগৰ জ্যেষ্ঠ বিষয়াই দুৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্যৰ তদাৰক কৰি আছে। ইপিনে, ৰেল দুৰ্ঘটনাৰ খবৰ পোৱাৰ পাছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগৰ বিষয়াক উত্তৰ প্ৰদেশ চৰকাৰৰ সৈতে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিছে। আনহাতে, উত্তৰ-পূব সীমান্ত ৰে'লৰেই যাত্ৰী আৰু যাত্ৰীৰ অভিভাৱকৰ সুবিধাৰ বাবে অসমৰ কেইবাটাও ৰে'ল ষ্টেশ্যনৰ বাবে হেল্পলাইন নম্বৰ মুকলি কৰিছে। তিনিচুকীয়াৰ বাণিজ্যিক নিয়ন্ত্ৰণৰ বাবে ৯৯৫৭৫-৫৫৯৮৪, ফৰকাটিঙৰ বাবে ৯৯৫৭৫-৫৫৯৬৬, মৰিয়নীৰ বাবে ৬০০১৮-৮২৪১০, শিমলুগুৰিৰ বাবে ৮৭৮৯৫-৪৩৭৯৮, তিনিচুকীয়াৰ বাবে ৯৯৫৭৫-৫৫৯৫৯, ডিব্ৰুগড়ৰ বাবে ৯৯৫৭৫-৫৫৯৬০ নম্বৰ মুকলি কৰিছে। ৰে'ল দুৰ্ঘটনা সন্দৰ্ভত উত্তৰ-পূব ৰে'লৰেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া সব্যসাচী দেই এইদৰে কয়-

ভইচ কাষ্ট

০০০০০০০০০

যোগান আৰু ৰাজহুৱা বিতৰণ বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি দিছপুৰত সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ বিভিন্ন দাবী সন্দৰ্ভত সন্থাৰ বিষয়াবৰ্গৰ সৈতে আলোচনাত মিলিত হয়। সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ দাবীসমূহ শুনাৰ অন্তত মন্ত্ৰী শ্ৰীদাসে সন্থাই ২০০৮ চনৰ পৰা ২০১৫ চনলৈ প্ৰাপ্য ধন নোপোৱা সন্দৰ্ভত তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ২০০৮ চনৰ পৰা ২০১৫ চনলৈ অন্ন সুৰক্ষা যোজনা আঁচনিৰ অধীনত সুলভ মূল্যৰ ব্যৱসায়ীসকলে পৰিবহন ব্যয়ৰ বাবদ ১১ কোটি ২৫ লাখ টকা পাবলগীয়া আছে। আনহাতে, ২০১০ চনৰ পৰা ২০১৫ চনলৈ মুখ্যমন্ত্ৰী অন্ন সুৰক্ষা যোজনাত সুলভ মূল্যৰ ব্যৱসায়ীসকলে ৭ কোটি ২১ লাখ টকা পাবলগীয়া আছে। সুলভ মূল্যৰ ব্যৱসায়ীসকলে যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা পাবলগীয়া কমিছনৰ ধন ১৮০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিয়াৰ পাছত ৰাজ্য চৰকাৰে সেই ধন মুকলি কৰি দিয়া বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰৰ তৰফৰ পৰাও সুলভ মূল্যৰ ব্যৱসায়ীসকলক ৬০ কোটি টকা মুকলি কৰি দিয়া হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। তেওঁ কয় যে এই ধনৰাশি তেওঁলোকে আগন্তুক নৱেম্বৰ মাহলৈকে প্ৰতি মাহৰ কমিছন হিচাপে জিলা আয়ুক্তৰ জৰিয়তে পোনপটীয়াকৈ বেংক একাউণ্টত লাভ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব গ্ৰহণ কৰাৰ পাছত ২০২১ চনৰ ৩০ জুনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত সুলভ মূল্যৰ ব্যৱসায়ীসকলক ২০১৯ চনৰ এপ্ৰিল মাহৰ পৰা ১৪৩ টকাকৈ আদায়

দি অহা হৈছে। আজিৰ বৈঠকত সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াৰ লগতে বিভিন্ন জিলাৰ ৩৫গৰাকী প্ৰতিনিধি উপস্থিত থাকে।

০০০০০০০০০

মাজুলী জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৪-২৫ৰ অধীনত বানত ক্ষতিগ্ৰস্ত কৃষক ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে সমূহীয়া কঠিয়াতলী প্ৰস্তুতকৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত আজি কমলাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত ম'হকিনা গাঁৱৰ এগৰাকী প্ৰগতিশীল কৃষকৰ ১ দশমিক ৫ হেক্টৰ কৃষিভূমিত সমূহীয়া কঠিয়া ৰোপণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। সমূহীয়া বীজ সিঁচাৰ কাৰ্যসূচীত বিধায়ক ভূৱন গাম, জিলা আয়ুক্ত কাবেৰী বি দাসৰ লগতে আন আন বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০০

শিৱসাগৰ জিলাই ৰাজ্যৰ প্ৰথমখন ১০০ শতাংশ অ' ডি এফ প্লাছ আদৰ্শ জিলাৰ স্বীকৃতি লাভ কৰে। এই বৃহৎ লক্ষ্য প্ৰাপ্তিত নিৰন্তৰ সহযোগিতা আৰু প্ৰয়াসৰ বাবে শিৱসাগৰৰ প্ৰতিজন বাসিন্দালৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ৰাজ্য চৰকাৰৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বচ্ছ আৰু সুস্থ ভাৰতৰ লক্ষ্য পূৰণৰ দিশত নিৰন্তৰ প্ৰচেষ্টাৰ বাবে তেওঁ স্বচ্ছ ভাৰত মিছন গ্ৰামীণ, অসমৰ প্ৰতিজন বিষয়াক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০০০

মাজুলী জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত মিছন শক্তি জিলা পৰ্যায়ৰ এখন বৈঠক আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত হয়। জিলা আয়ুক্ত ড০ কাবেৰী বি শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত মিছন শক্তিৰ উপৰি মহিলা আৰু শিশু কল্যাণৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। সভাত **বেটী বচাও, বেটী পঢ়াও** আঁচনিৰ অধীনত মটৰ ড্ৰাইভিং আৰু কম্পিউটাৰ ডিপ্ল'মা পাঠ্যক্ৰমৰ প্ৰশিক্ষণ লাভ কৰা ১০০ গৰাকী কিশোৰী আৰু মহিলাক প্ৰমাণপত্ৰও প্ৰদান কৰা হয়। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীতিমণি পেগু, আৰক্ষী অধীক্ষক বিবেকানন্দ দাসৰ লগতে বিভাগীয় বিষয়া সকলো উপস্থিত থাকে।

০০০০০০০০০

সমাপ্ত